৫০৫

# প্ৰাথমিক স্তৰত পৰিৱেশ অধ্যয়ন শিকন

ব্লক - ৩

পাঠগোট - ১১

# প্ৰাথমিক স্তৰত পৰিৱেশ অধ্যয়ন শিকনৰ
# Course-505ৰ বাবে Course concept Map



## শিকনীয় দিশ/উদ্দেশ্য অনুসৰি দিশবোৰ (4=3+1)

| ব্লক | গোট | গোটৰ নাম | অধ্যয়নৰ সময় তত্ত্ব/সূচী |  | ব্যৱহাৰিক অধ্যয়ন |
|---|---|---|---|---|---|
|  |  |  | বিষয়/পাঠ | কাৰ্য |  |
| ব্লক-1 প্ৰাথমিক স্তৰত পৰিৱেশ অধ্যয়নৰ প্ৰয়োজনীয়তা | গোট-1 | শিকনৰ আদি স্তৰত পৰিৱেশৰ প্ৰয়োজনীয়তা | 3 | 2 | NCF 2005 আৰু নতুন কিতাপৰ প্ৰসংগত পৰিৱেশ অধ্যয়নবোধ |
|  | গোট-2 | প্ৰাথমিক স্তৰত পৰিৱেশ শিক্ষণ শিকনৰ উদ্দেশ্য আৰু পৰিসৰ | 4 | 2 | বিজ্ঞান, সমাজ বিজ্ঞান আৰু পৰিৱেশ বিজ্ঞানৰ সৈতে পৰিৱেশ অধ্যয়ন এটা যৌথ বিষয় |
|  | গোট-3 | প্ৰাথমিক স্তৰত শিক্ষাদান সম্পৰ্কীয় বিবেচনা | 5 | 3 | আৰ্থ সামাজিক শিকনৰ বিন্দুবোৰ বুজিবলৈ ক্ষেত্ৰ ভ্ৰমণ (বিশেষ শিকনৰ বাবে) |
|  | গোট-4 | প্ৰাথমিক স্তৰত পৰিৱেশ অধ্যয়নৰ কাৰিকুলাম সম্বন্ধীয় সুবিধা | 4 | 2 | পৰিৱেশ অধ্যয়ন শিক্ষণৰ মান নিৰূপণৰ ঘটনা বিশ্লেষণ |
| ব্লক-2 পৰিৱেশ অধ্যয়নৰ কাৰিকুলাম আৰু শিক্ষাদান সম্পৰ্কীয় কথা | গোট-5 | পৰিৱেশ অধ্যয়নৰ শিক্ষণ-শিকনৰ ভূমিকা | 4 | 2 | উদ্ভাৱনীমূলক শিক্ষণ-শিকনৰ ধাৰণাৰ ওপৰত হস্ত কাৰ্যঅধ্যয়নবোধ |
|  | গোট-6 | পৰিৱেশ অধ্যয়ন শিক্ষণ আৰু শিকনৰ বাবে পদ্ধতি | 5 | 4 | পৰিৱেশ অধ্যয়নৰ শিক্ষণ-শিকনৰ বাবে সামগ্ৰীৰ উন্নয়ন |
|  | গোট-7 | পৰিৱেশ অধ্যয়ন শিক্ষণ-শিকনৰ বাবে পৰিকল্পনা | 4 | 4 |  |
|  | গোট-8 | পৰিৱেশ অধ্যয়ন শিক্ষণ-শিকনৰ সমল আৰু সামগ্ৰী | 3 | 3 |  |
| ব্লক-3 পৰিৱেশ অধ্যয়ন শিকনৰ মান নিৰ্ণয় | গোট-9 | পৰিৱেশ অধ্যয়নৰ শিক্ষণ-শিকনৰ মান নিৰূপণ | 4 | 3 |  |
|  | গোট-10 | পৰিৱেশ অধ্যয়ন শিক্ষণ আৰু শিকনৰ মান নিৰূপণৰ বাবে আহিলা আৰু কৌশল | 4 | 3 |  |
|  | গোট-11 | ছাত্ৰ-ছাত্ৰীৰ অধিক বোধৰ বাবে মান নিৰূপণৰ ফলাফলৰ ব্যৱহাৰ | 3 | 4 |  |
|  | **Tutoring** |  | 15 | 3 |  |
|  | মুঠ |  | 58 | 32 | 30 |
|  | সৰ্বমুঠ | 58+32+30=120 ঘণ্টা |  |  |  |

# ব্লক - 3
# পৰিৱেশ অধ্যয়নৰ মান নিৰূপণ, তথ্য দাখিলকৰণ আৰু প্ৰতিকাৰ

**ব্লক গোটসমূহ ঃ**

গোট- 9 ঃ পৰিৱেশ অধ্যয়ন শিকনৰ মান নিৰূপণ

গোট- 10 ঃ পৰিৱেশ অধ্যয়ন শিকনৰ মান নিৰূপণৰ বাবে আহিলা আৰু কৌশলসমূহ

গোট- 11 ঃ ছাত্ৰ-ছাত্ৰীৰ অধিক বোধৰ বাবে মান নিৰূপণৰ ফলাফলৰ ব্যৱহাৰ



টোকা

## পাঠগোট 11 ঃ প্ৰাথমিক স্তৰত পৰিৱেশ শিক্ষাৰ প্ৰয়োজনীয়তা

# গাঁথনি


11.0 পাতনি

11.1 শিকন উদ্দেশ্য

11.2 ছাত্ৰ-ছাত্ৰীৰ অগ্ৰগতিৰ তথ্য দাখিলকৰণ

11.2.1 ফলপ্ৰসু আৰু জনাবলগীয়া তথ্য দাখিলকৰণৰ নীতিসমূহ

11.2.2 মান নিৰূপণৰ ফলাফলৰ ওপৰত প্ৰতিপুষ্টি

11.2.3 তথ্য দাখিলকৰণ কাৰ্ডৰ নমুনা

11.2.4 অগ্ৰগতি তথ্য দাখিলকৰণৰ পৰ্টফলিঅ’

11.3 অনুসন্ধানকাৰী অভীক্ষাত ঘাটি বিশ্লেষণ

11.3.1 অনুসন্ধানকাৰী অভীক্ষাৰ ব্যৱহাৰ আৰু প্ৰয়োজনীয়তা

11.3.2 অনুসন্ধানকাৰী অভীক্ষাৰ উন্নয়ন

11.4 শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ পুনৰীক্ষণ আৰু উন্নয়ন

11.5. পৰিৱেশ অধ্যয়ন শিকন অধিক পুষ্ট কৰিবলৈ সংশোধিত কাৰ্যকলাপ

11.6 সামৰণি

11.7 অগ্ৰগতি পৰীক্ষাৰ আৰ্হি উত্তৰ

11.8 পঠনৰ বাবে পৰামৰ্শাৱলী আৰু প্ৰসংগ পুথি

11.9 গোটৰ শেষ অনুশীলনী


## 11.0 পাতনি

আগৰ অধ্যায়ত আপুনি ফলপ্ৰসু মান নিৰূপণ আৰু ছাত্ৰ-ছাত্ৰীৰ পৰিৱেশ অধ্যয়ন শিকনৰ পাৰদৰ্শিতা আৰু অগ্ৰগতিৰ বিষয়ে আপুনি জানিলে যে মান নিৰূপণে শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ দিশ নিৰ্ণয় কৰে আৰু ই ধাৰণা আৰু কৌশলৰ (যদি থাকে) শিকন ঘাটি চিনাক্ত কৰে।

যুক্তিসংগত মান নিৰূপণ এইদৰে শিকন বৃদ্ধি কৰিবলৈ ব্যৱহাৰ কৰা হয়। মান নিৰূপণ, সেইবাবে অভীক্ষাতকৈ বেছি ব্যৱহাৰ হয় আৰু শিক্ষণ-শিকন প্ৰক্ৰিয়া উন্নতভাৱে কৰিবলৈ পৰিচালনা কৰিবলৈ বহুতো আনুষ্ঠানিক আৰু অনানুষ্ঠানিক কাৰ্য আঁচনি কৰি

টোকা

লোৱা হয়।

যি নহওক যেতিয়ালৈ শ্ৰেণী কোঠাৰ শিক্ষণ-শিকন প্ৰক্ৰিয়া উন্নত কৰিবলৈ মান নিৰূপণৰ ফলাফলবোৰ অৰ্থপূৰ্ণভাৱে ব্যৱহাৰ কৰা নহয়, তেতিয়ালৈ মান নিৰূপণৰ ফলপ্ৰসুতা বুজিব পৰা নাযায়।

এই গোটটিত মান নিৰূপণৰ ফলাফলৰ ক্ষেত্ৰত কেনেকৈ আটাইতকৈ কিদৰে তথ্য দাখিল কৰা হয়, বিশ্লেষণ কৰা হয় আৰু কেনেকৈ ঘাটি চিনাক্ত কৰা হয় এই বিষয়ে জানিব আৰু দুৰ্বল, শক্তিশালী শিকাৰুক কামৰ সৈতে জড়িত কৰিব পৰা যাব।

এবাৰ মান নিৰূপণ কৰাৰ পিছত, মান নিৰূপণৰ ফলাফলখিনি কেনেকৈ এগৰাকী শিক্ষকে পৰিৱেশ অধ্যয়ন শিক্ষণ-শিকনৰ বাবে ব্যৱহাৰ আৰু পুনৰ পৰিকল্পনা কৰিব পাৰে এই কথাও আমি জানিম।

## 11.1 শিকন উদ্দেশ্য

এই গোটটো শেষ কৰাৰ পিছত আপুনি,

- ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকৰ লগত শিকনৰ মান নিৰূপণ কেনেকৈ কৰা হয় সেই কথা আদান প্ৰদান কৰিবলৈ সামৰ্থ হ'ব।
- ছাত্ৰ-ছাত্ৰীৰ শিকন দুৰ্বলতা আৰু শক্তিশালী ক্ষেত্ৰ চিনাক্ত কৰিবলৈ সামৰ্থ হ'ব।
- ছাত্ৰ-ছাত্ৰীৰ শিকন ঘাটি পূৰাবলৈ শিকাৰুক সহায় আৰু নিৰ্দেশনা দিবলৈ সামৰ্থ হ'ব।
- শিকন ঘাটি চিনাক্তকৰণৰ বাবে বিকল্প কাৰ্যকলাপৰ পৰিকল্পনা কৰিবলৈ সামৰ্থ হ'ব।
- শিকন অধিক ফলপ্ৰসু কৰিবলৈ, বিভিন্ন কাৰ্যকলাপ পৰিকল্পনা কৰিব পাৰিব।

## 11.2 ছাত্ৰ-ছাত্ৰীৰ অগ্ৰগতিৰ তথ্য দাখিলকৰণ

তথ্য দাখিলকৰণ, মান নিৰূপণ প্ৰক্ৰিয়াৰ দ্বিতীয় আৱশ্যকীয় অংশ। এইটো ছাত্ৰ-ছাত্ৰীৰ শিকন নিৰূপণৰ পৰা সম-সাময়িক ব্যক্তিলৈ (শিকাৰু ছাত্ৰ-ছাত্ৰীক সামৰি) লাভ কৰা তথ্যৰ সৈতে যোগাযোগ কৰা পদ্ধতি। ছাত্ৰ-ছাত্ৰীৰ এই মান নিৰূপণ নহ'লে বহু ক্ষতি হ'ব। তথ্য দাখিলকৰণৰ উদ্দেশ্য হ'ল শিক্ষণ-শিকনত সহায় কৰা আৰু ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু শিক্ষকক প্ৰতিপুষ্টি দিয়া, ছাত্ৰ-ছাত্ৰীৰ পাৰদৰ্শিতা আৰু অগ্ৰগতি, শিকন প্ৰক্ৰিয়াটোৰ লগত জড়িত কৰি অধিক উন্নতিৰ বাবে ক্ষেত্ৰ নিৰ্দেশ কৰা।

এই কামটো কৰাৰ বাবে বহু উপায় আছে। ছপা তথ্য, যেনে তথ্য (দাখিল) কাৰ্ড, চলন্ত (ডকুমেণ্টৰী) সাক্ষ্য, বৈদ্যুতিন মাধ্যমৰ তথ্য দাখিল, ব্যক্তিগত সভা আৰু অন্যান্য



টোকা

প্ৰত্যেকৰে নিজা সুবিধা আৰু সীমা, অৱস্থা আৰু দাবীৰ ওপৰত ভিত্তি কৰি এইবোৰ সংমিশ্ৰণ কৰিও উপায় হিচাপে ব্যৱহাৰ কৰিব পাৰি।

তথ্য দাখিলকৰণ খৰতকীয়া কৰা, যিয়ে নহওক, এটা দৰকাৰী আৰু গুৰুত্বপূৰ্ণ বৈশিষ্ট্য।

শিক্ষকৰ মান নিৰ্দ্ধপণেৰে ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকক তথ্য দাখিল কৰা বুজায় আৰু শিক্ষকে এই ক্ষেত্ৰত সচেতন হোৱাৰ প্ৰয়োজন। তেখেতে মান নিৰ্দ্ধপণৰ ফলাফলৰ তথ্য দাখিলকৰণৰ ক্ষেত্ৰত সহানুভূতিশীল হোৱা উচিত আৰু এই ক্ষেত্ৰত তেখেতে মনত ৰাখিব লাগে যে তথ্য দাখিলকৰণৰ প্ৰধান উদ্দেশ্য হ'ল ছাত্ৰ-ছাত্ৰীৰ অগ্ৰগতিত সহায় কৰা। সেইবাবে, মান নিৰ্দ্ধপণৰ তথ্যক প্ৰায় ছাত্ৰ-ছাত্ৰীৰ অগ্ৰগতিৰ তথ্য বুলি কোৱা হয়।

ছাত্ৰ-ছাত্ৰী আৰু তেওঁলোকৰ অভিভাৱকে ছাত্ৰ-ছাত্ৰীৰ অগ্ৰগতি জানিব বিচাৰে। শিকনকেন্দ্ৰিকৰ ধনাত্মক দিশসমূহে তথ্য কাৰ্ডত ছাত্ৰ-ছাত্ৰীৰ অগ্ৰগতিৰ দৰকাৰী দিশবোৰ প্ৰতিফলিত কৰাত সহায় কৰে, লগতে ই মান নিৰ্দ্ধপণৰ প্ৰকৃত পৰ্যবেক্ষণ প্ৰতিফলিত কৰে আৰু এই ঘাটি জনোৱাটো তথ্য দাখিলকৰণৰ এটা দৰকাৰী অংশ হিচাপে পৰিগণিত হয়। সেই বাবে ছাত্ৰ-ছাত্ৰীৰ শিকন আৰু অগ্ৰগতিত সহায় কৰিবলৈ অভিভাৱক আৰু শিক্ষকৰ মাজত যোগাযোগ গঠন কৰা উচিত।

## 11.2.1 ফলপ্ৰসু আৰু সম্ভেদমূলক তথ্য দাখিলকৰণৰ নীতিসমূহ

মান নিৰ্দ্ধপণে সাধাৰণ নম্বৰৰ সহায়ত ছাত্ৰ-ছাত্ৰীৰ অগ্ৰগতিৰ বিষয়ে কিছু জনাত সহায় কৰে।

ফলপ্ৰসু আৰু সম্ভেদমূলক তথ্য দাখিল কৰণত তলত দিয়া দিশবোৰ থকা উচিত—

- যুক্তিসংগত, পৰিষ্কাৰ আৰু সুন্দৰতা।
- ছাত্ৰ-ছাত্ৰীৰ দুৰ্বলতা বা সবলতাৰ প্ৰকল্প।
- শিশুকেন্দ্ৰিক হোৱা দৰকাৰ, যেনে - ছাত্ৰ-ছাত্ৰীয়ে শিকন কাৰ্যত আলোচনাৰ জৰিয়তে আৰু সক্ৰিয়ভাৱে পৰিচালিত হোৱা উচিত। পাৰদৰ্শিতা আৰু অগ্ৰগতি প্ৰতিফলিত কৰা উচিত।
- ছাত্ৰ-ছাত্ৰীৰ শিকনত সহায় কৰা, তেওঁলোকৰ অভিৰোচনত সহায় কৰা আৰু শিকনৰ অংগীকাৰত সহায় কৰা তথ্য।
- সময় যথেষ্ট উপযুক্তভাৱে পৰিচালিত হোৱা উচিত। শিক্ষকে সযতনে সময়ত পৰিকল্পনা কৰাৰ প্ৰয়োজন আৰু বাৰে বাৰে তথ্য দাখিল কৰণৰ পদ্ধতিৰ বৈশিষ্ট্য সম্পৰ্কে পৰিকল্পনা কৰাৰ কথা থকাৰ প্ৰয়োজন।

টোকা

- ব্যক্তিগত পাৰদৰ্শিতা আৰু অগ্ৰগতি চিনাক্ত কৰা তথ্য থকা উচিত। শিক্ষকে দিয়া আত্মবিশ্বাস আৰু ছাত্ৰ-ছাত্ৰী ভাল হ'বলৈ অনুভূতিশীল, নম্ৰ, বিনয়ী আৰু গঠনমূলক প্ৰতিপুষ্টি বিলাকৰ তথ্য থকা উচিত।

- মূল্য আৰু মনোভাৱক গুৰুত্ব দিয়া উচিত। এইবোৰ জ্ঞান, বোধ আৰু কৌশলৰ ফলাফলৰ পৰা পৃথক যদিও পৰিৱেশ অধ্যয়ন শিকনৰ এটা আৱশ্যকীয় অংগ। সেইবাবে তথ্য দাখিলকৰণ যথোপযুক্ত হোৱা উচিত।

- অভিভাৱকক সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰোৱা উচিত। অগ্ৰগতিৰ তথ্য দাখিলকৰণৰ পুনৰীক্ষণত আৰু অবিৰত উন্নয়নৰ বাবে শিক্ষকে অভিভাৱকৰ সম্পূৰ্ণ অংশগ্ৰহণ নিশ্চিত কৰা উচিত।

- অৰ্থপূৰ্ণ আৰু দৰকাৰী প্ৰতিপুষ্টি দিয়া উচিত যাতে ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যৎ উন্নতিৰ বাবে পৰিকল্পনা কৰিব পাৰি।

- ছাত্ৰ-ছাত্ৰীৰ শিকন ফলাফলৰ মান আৰু ছাত্ৰ-ছাত্ৰীৰ কামৰ তুলনা কৰি আৰু তেওঁলোকৰ পূৰ্ব আৰু বৰ্তমানৰ শিকনৰ পাৰদৰ্শিতা তুলনা কৰি ছাত্ৰ-ছাত্ৰীৰ পাৰদৰ্শিতা আৰু অগ্ৰগতিৰ তথ্য দাখিল কৰিব পাৰি।

## 11.2.2 মান নিৰূপণৰ ফলাফলৰ ওপৰত প্ৰতিপুষ্টি

মান নিৰূপণৰ ফলাফলৰ ওপৰত প্ৰতিপুষ্টি দিওতে তলত দিয়া কথাবোৰ সন্নিবিষ্ট হোৱা উচিত—

- বিশেষ শিকনীয় অৰ্হতা বা সূচকৰ ওপৰত ভিত্তি কৰি গ্ৰেডেৰে সৈতে গুণগত প্ৰতিপুষ্টি দিয়া উচিত। যদি সম্ভৱ হয় শিকনীয় অৰ্হতাৰ এটা বিশেষ ক্ষেত্ৰ সৰু সৰু পৰ্যবেক্ষণীয় (পৰ্যবেক্ষণ কৰিব পৰা আৰু মাপ কৰিব পৰা) শিকনীয় অৰ্হতালৈ ভাগ ভাগ কৰি ল'ব পাৰি।

- ছাত্ৰ-ছাত্ৰীৰ পিছৰ অগ্ৰগতিৰ বাবে সহায় কৰা উপায়সমূহ হ'ল—

  গুণগত প্ৰতিপুষ্টি হৈছে ছাত্ৰ-ছাত্ৰীয়ে কেনেদৰে কৃতকাৰ্য হয় তাৰে এটা বিৱৰণ।

  'ভাল', বৰ ভাল, আৰু সহায়ৰ প্ৰয়োজন আদি মন্তব্যবোৰ হ'ল এটা গুণগত ঠাঁচ/গঠন। কিন্তু ইয়াৰ পিছতো এইবোৰ ছাত্ৰ-ছাত্ৰীৰ সামৰ্থই এটা বিশেষ স্তৰক নুবুজায়। তাৰ পৰিবৰ্তে যদি 'আলোচনা'ত শিক্ষক এগৰাকীয়ে প্ৰথম ষান্মাসিকত ভাল আৰু দ্বিতীয় ষান্মাসিকত 'বৰ ভাল' ফল দেখুৱায় আৰু শিক্ষকৰ মতামতত 'আলোচনাৰ সময়ত সুধাই সহায়কাৰী আৰু ঋণাত্মক মতামত মুক্তভাৱে আৰু



টোকা

অইনক আঘাত নকৰাকৈ প্ৰকাশ কৰিবলৈ শিকিছে বুলি দিয়ে তেতিয়া অগ্ৰগতি কাৰ্ডৰ যোগাত্মক মূল্য বহুত উৎসাহজনক হ'ব। এই তথ্যটোৱে এই ক্ষেত্ৰত আমাক সুধাৰ বিশেষ আৰু উল্লেখযোগ্য অগ্ৰগতিৰ তথ্যৰ বিষয়ে আভাষ দিব। যদিও 'ভাল' বা 'বৰ ভাল' এই গুণগত মন্তব্যবোৰ সাধাৰণ শিক্ষকৰ ব্যক্তিগত মন্তব্য (মতামত) ই হে সুধাৰ অগ্ৰগতিৰ গুণাগুণ নিৰ্ণয় কৰিব।

## 11.2.3 তথ্য কাৰ্ডৰ নমুনা ঃ

তলত দিয়া উদাহৰণটো NCERT দ্বাৰা প্ৰকাশিত পঞ্চম শ্ৰেণীৰ পৰিৱেশ অধ্যয়নৰ Source Book on Assessment ৰ পৰা লোৱা হৈছে আৰু এইটো CCE (অবিৰত আৰু সামগ্ৰীক মূল্যায়ন)ৰ মান নিৰূপণৰ তথ্যৰ ওপৰত প্ৰতিষ্ঠিত। তলৰ নমুনাটো চাওক—

| পৰিৱেশ অধ্যয়ন | সহায়ৰ প্ৰয়োজন | কষ্টেৰে কৰিব পাৰিছে | কৰিব পাৰিছে |
|---|---|---|---|
| শৰীৰৰ ভিতৰত থকা বিভিন্ন অংগসমূহৰ কামবোৰ বুজা (বুজিব) | | | |
| ব্যক্তিগত স্বাস্থ্য আৰু সুস্বাস্থ্য ৰক্ষণাবেক্ষণ (বজাই ৰখা)ৰ মাজত থকা সম্পৰ্কবোৰ চিনাক্ত কৰিব | | | |
| এখন ঘৰত মানৱৰ জীয়াই থকাৰ প্ৰয়োজনীয়তা চিনাক্ত কৰিব/বুজিব। | | | |
| জলবায়ুৰ অৱস্থা অনুসৰি বিভিন্ন প্ৰকাৰৰ ঘৰ চিনাক্ত কৰিব | | | |
| বিভিন্ন ধৰণৰ খোৱা খাদ্য আৰু ইয়াৰ পুষ্টিকৰণৰ মূল্য শ্ৰেণী বিভাগ কৰিব | | | |
| আহাৰ/খাদ্য উৎপাদনত সহায় কৰা লোক চিনাক্ত কৰিব, যেনে — মাছমৰীয়া, খেতিয়ক; ভাৰতৰ ৰাজনৈতিক মানচিত্ৰত বিভিন্ন ৰাজ্য আৰু বিভিন্ন প্ৰান্তৰ মানুহৰ খাদ্যাভ্যাস জানিব আৰু জলবায়ুৰ অৱস্থাৰ লগত মানুহৰ সম্পৰ্কৰ বিষয়ে জানিব। | | | |

ওপৰৰ তালিকাখনত পৰিৱেশ অধ্যয়নৰ পাঠ (বিষয়) সমূহহে তালিকা কৰা হৈছে, ছাত্ৰ-ছাত্ৰীৰ বিশেষ অৰ্হতা নহয়। শিক্ষকৰ মতামতসমূহো সাধাৰণহে, বিশেষ নহয়, যেনে- 'জলবায়ুৰ অৱস্থা অনুসৰি বিভিন্ন প্ৰকাৰৰ ঘৰ চিনাক্ত কৰিব।'



টোকা



এখন বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ শিকণীয় দিশৰ বিশেষ সূচক কিছুমান থাকে আৰু তাৰ বিপৰীতে ‘ভাল’ আৰু ‘বৰ ভাল’ মন্তব্য থাকে। এই মন্তব্যবোৰ সাধাৰণ, হ’লেও শিক্ষকৰ বিশেষ মন্তব্যবোৰো দিয়া হয়। তলত চাওক ঃ

| **পৰিৱেশ বিজ্ঞান** | | |
|---|---|---|
| 1. পৰ্যবেক্ষণ কৌশল | ভা | ভা |
| 2. বোধ | ভা | ভা |
| 3. বাস্তৱ জীৱনৰ বিভিন্ন অৱস্থাত প্ৰয়োগ | বভা | বভা |
| 4. সাধাৰণ সচেতনতা | বভা | বভা |
| 5. পুনৰ মনত পেলোৱা | বভা | বভা |
| 6. সহ-সম্পৰ্ক ৰক্ষা কৰাৰ সামৰ্থ | বভা | বভা |
| 7. বিশ্লেষণ কৰাৰ সামৰ্থ | বভা | বভা |
| 8. শ্ৰেণী আলোচনা | বভা | বভা |
| 9. সংগ্ৰহ কৌশল | বভা | বভা |
| 10. প্ৰকল্প কৌশল | বভা | বভা |
| 11. দলীয় কাৰ্য | বভা | বভা |
| 12. অংশগ্ৰহণ | বভা | বভা |
| 13. প্ৰচেষ্টা | বভা | বভা |
| 14. উপস্থাপন (i) মৌখিক | বভা | বভা |
| (ii) লিখিত | বভা | বভা |
| 15. আগ্ৰহ | বভা | বভা |
| অভীক্ষণ গ্ৰেড | | |

ভাল (ভা) বা বভা (বৰ ভাল) ই প্ৰকৃততে আমাক কি কয়? আপুনি ভাবে নেকি যে ওপৰত দিয়া ধৰণে তথ্য দাখিল কৰণে ছাত্ৰ-ছাত্ৰী আনকি শিক্ষকৰ কিবা উপকাৰ সাধিব? তথ্য দাখিল কৰোতে ভাল হ’লে শিক্ষকে বিশেষ মন্তব্য দিয়াৰ প্ৰয়োজন, ‘ভাল’ বা ভাল নহয় মন্তব্য নহয়।

আকৌ এটা দৰকাৰী কথা হ’ল— ছাত্ৰ-ছাত্ৰীৰ যেতিয়া অবিৰত মূল্যায়ন কৰা হয় তেতিয়া মাহটোৰ বা মাহবোৰৰ বাবে ছাত্ৰ/ছাত্ৰী এগৰাকীৰ ওপৰত মন্তব্য দিয়া হয় আৰু পূৰ্ব মূল্যায়নৰ লগত তুলনা কৰিহে মন্তব্য দিয়া হয়। এই পদ্ধতিয়ে প্ৰত্যেক ছাত্ৰ/ছাত্ৰীৰ অগ্ৰগতিৰ এটা বাস্তৱ চিত্ৰ দাঙি ধৰিব।



টোকা

## 11.2.4 অগ্ৰগতি তথ্য দাখিলকৰণৰ পৰ্টফলিঅ’

কিছুমান বিদ্যালয়ে ছাত্ৰ-ছাত্ৰীৰ অগ্ৰগতি তথ্য দাখিলৰ বাবে পৰ্টফলিঅ’ ব্যৱহাৰ কৰে। শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ কাৰ্যবোৰ সংগ্ৰহ কৰি প্ৰত্যেক ছাত্ৰ-ছাত্ৰীৰ বাবে ভিন ভিনকৈ কৰে। বিদ্যালয়ৰ বাৰ্ষিক অগ্ৰগতি হ’লে, দপ্তৰ/কাগজৰ সংগ্ৰহ বাঢ়ে। যেনে-

- পৰিয়ালৰ সদস্যৰ নক্সা আৰু ছবি।
- পাত আৰু বিভিন্ন আঁহ জাতীয় কাপোৰ আৰু ফুল
- শ্ৰেণীকক্ষৰ কাৰ্যপত্ৰ, উত্তৰ পত্ৰ, ফেক্টৰী দৰ্শনৰ তথ্য
- বন্ধুৰ প্ৰতি সহানুভূতি প্ৰকাশ
- বিদ্যালয়লৈ অহা অতিথিৰ বাবে সম্ভাষণ কাৰ্ড প্ৰস্তুত।
- বন্ধু-বান্ধৱীৰ পৰা পোৱা কাৰ্ড
- বোকা আৰু অবিগামিৰ হস্তকলা।

**শিক্ষকৰ বাবে তলত দিয়া কথাকেইটা মন কৰিবলগীয়া ঃ**

- ছাত্ৰ-ছাত্ৰীৰ সকলো ধৰণৰ মন্তব্য অন্তৰ্ভুক্ত কৰা উচিত, কেৱল আটাইতকৈ ভালটো নহয়।
- মূল্যায়নৰ তথ্য আৰু অভীক্ষাত পোৱা নম্বৰৰ বাহিৰে ছাত্ৰ-ছাত্ৰীয়ে কৰা প্ৰকৃত কাৰ্যও অন্তৰ্ভুক্ত কৰা উচিত।
- পিছত ইয়াক সযতনে ৰাখি থোৱা উচিত আৰু প্ৰয়োজন অনুসৰি অভিভাৱকৰ ওচৰত সুন্দৰভাৱে উপস্থাপন কৰক।

**যেতিয়া তথ্য দিয়া হয়-**

- ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন সামৰ্থ জনাবলৈ যাওতে বৃহৎ সংখ্যক (বিভিন্ন) শিকনীয় দিশ যোগ দিয়াটো প্ৰয়োজন।
- প্ৰত্যেক সূচকে বেলেগ বেলেগ গ্ৰেড নিৰূপণ কৰে। বিভিন্ন সূচকৰ বাবে এগৰাকী ছাত্ৰ/ছাত্ৰী বেলেগ বেলেগ সামৰ্থ্য স্তৰত থাকিব পাৰে।
- পৰিৱেশ অধ্যয়নত ছাত্ৰ-ছাত্ৰীৰ সামগ্ৰিক তথ্যৰ বিষয়ে অভিভাৱকক জনোৱাটো বৰ দৰকাৰ আৰু লগে লগে পৰিৱেশ অধ্যয়ন শিকনৰ উদ্দেশ্যসমূহ অভিভাৱকক স্পষ্টকৈ দেখুওৱাটো দৰকাৰ। ছাত্ৰ-ছাত্ৰীৰ উন্নতিৰ বাবে শিক্ষক সদায় তৎপৰ হ’ব লাগে।
- ছাত্ৰ-ছাত্ৰীৰ বিশ্লেষিত শিকন ঘাটিৰ ওপৰত ভিত্তি কৰি ছাত্ৰ-ছাত্ৰীৰ অগ্ৰগতি উন্নতিৰ বাবে তেওঁলোকৰ বাঞ্চিত অংশগ্ৰহণৰ বাবে অভিভাৱকক নিৰ্দেশনা দিয়াৰ প্ৰয়োজন।



টোকা



**অগ্ৰগতিৰ নিৰীক্ষণ -1**

1. ছাত্ৰ-ছাত্ৰীৰ শিকনৰ বিষয়ে তথ্য জনোৱাৰ কিয় প্ৰয়োজন?

..................................................................................................

..................................................................................................

..................................................................................................

2. তথ্য দাখিলকৰণৰ তিনিটা প্ৰধান নীতি লিখা।

..................................................................................................

..................................................................................................

..................................................................................................

3. পৰ্টফলিঅ কি? ই কেনেধৰণে অগ্ৰগতিৰ তথ্য দাখিলত সহায় কৰে?

..................................................................................................

..................................................................................................

..................................................................................................

## 11.3 অনুসন্ধানকাৰী অভীক্ষাত ঘাটি বিশ্লেষণ

অনুসন্ধানকাৰী অভীক্ষা হৈছে ব্যক্তিগতভাৱে পৰিচালিত কাৰ্য আৰু ই প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীয়ে ভিন ভিন এই কথা প্ৰতিপন্ন কৰে। মূল্যায়নৰ পিছত আপুনি গম পাব যে কিছুমান ছাত্ৰী/ছাত্ৰই বৰ ভাল কৰিছে আৰু কম সংখ্যকেহে বাঞ্ছিত শিকন লক্ষ্যত উপনীত হ'ব পৰা নাই। এতিয়া আপুনি ইয়াৰ কাৰণ বিচাৰি উলিয়াবলৈ চেষ্টা কৰক। ছাত্ৰ-ছাত্ৰীয়ে ক'ত টান পাইছে আৰু ক'ত শিকন ঘাটি আছে সেইটো বিচাৰি উলিওৱাটো বৰ প্ৰয়োজন। অনুসন্ধানৰ প্ৰধান কামেই হ'ল প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীৰ শীৰ্ষতম উন্নতি সাধন কৰা আৰু ই শিকন ত্ৰুটিৰ বৈশিষ্ট্য নিৰ্ণয় কৰাত শিক্ষকক সহায় কৰিব।

### 11.3.1 অনুসন্ধানকাৰী অভীক্ষাৰ ব্যৱহাৰ আৰু প্ৰয়োজনীয়তা

অনুসন্ধানকাৰী অভীক্ষা অবিৰত হোৱা উচিত কাৰণ ই ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন কৌশলৰ বৃদ্ধি আৰু প্ৰত্যেক কৌশলৰ পৰ্যায়ক্ৰমে হোৱা অগ্ৰগতিৰ ওপৰত নিৰ্ভৰ কৰে। এই অভীক্ষাবোৰ বৰ উপকাৰী হ'ব, যদিহে এগৰাকী শিক্ষকে এবাৰতকৈ বেছি এইবোৰ বিদ্যালয় বৰ্ষটোত ব্যৱহাৰ কৰে।

বছৰৰ আৰম্ভণিতে ই শিক্ষণৰ পৰিকল্পনাত সহায় কৰে, বছৰটোৰ মাজত ছাত্ৰ-ছাত্ৰীয়ে কেনেকৈ শিকিলে আৰু বছৰটোৰ ক্ষেত্ৰত শিকন সবলীকৰণৰ বাবে কি কৰা



টোকা

প্ৰয়োজন তাক নিৰ্ধাৰণ কৰে। ই ছাত্ৰ-ছাত্ৰীৰ গোটেই বছৰটোৰ বাবে এটা সম্পূৰ্ণ শিকন মূল্যায়ন কৰে আৰু পৰৱৰ্তী পৰ্যায়ত গ্ৰেড নিৰূপণ আৰু ধাৰণাৰ স্তৰ নিৰ্ণয়ৰ বাবে নিৰ্দেশনা দিয়ে।

যদি বেছিভাগ ছাত্ৰ-ছাত্ৰীৰ মাজত থকা প্ৰধান শিকন ঘাটিবোৰ জনোৱা হয় তেতিয়া শিক্ষকে শিকন প্ৰক্ৰিয়াৰ ক'ত ভুল হৈ আছে, সেইটো জানিব পাৰিব।

ই শিকন প্ৰক্ৰিয়া আৰু শিকন ত্ৰুটিৰ এটা বিস্তৃত অধ্যয়নৰ বাবে আহিলা হ'ব।

## 11.3.2 অনুসন্ধানকাৰী অভীক্ষাৰ বিকাশ

অনুসন্ধানকাৰী অভীক্ষাটো দক্ষতাৰ অভীক্ষাতকৈ পৃথক। এটা দক্ষতাৰ অভীক্ষাত প্ৰত্যেকটো শিকনীয় দিশ সামৰি ল'বলৈ প্ৰশ্নৰ নমুনা প্ৰস্তুত কৰাটোৱে যথেষ্ট নহয়, যিহেতু বিষয়বস্তুখিনি এটা বিস্তৃত অংশ। আনহাতে এটা অনুসন্ধানমুখী অভীক্ষাত প্ৰত্যেক শিকনীয় দিশৰ বাবে বিভিন্ন ধৰণৰ বিষয় থাকে আৰু এনেধৰণৰ বিষয়ৰ প্ৰতিটো খণ্ডই এটা উপ সংহতি গঠন কৰে।

দক্ষতা অভীক্ষাতকৈ অনুসন্ধানমুখী অভীক্ষাত বিষয়বস্তুৰ পৰিসৰটো বেছি বিস্তৃতভাৱে থাকে, (যদিও এটা সৰু অঞ্চলক ভিত্তি কৰি কৰা হয়) দক্ষতাৰ অভীক্ষাত এইদৰে বিষয়বস্তুৰ সযত্ন বিশ্লেষণ আৰু সাধাৰণ ছাত্ৰ-ছাত্ৰীয়ে কৰা ভুলৰ সম্পূৰ্ণ অধ্যয়নৰ প্ৰয়োজন হয়।

**অগ্ৰগতিৰ নিৰীক্ষণ -2**

1. শ্ৰেণীৰ অভীক্ষাৰ লক্ষ্য হ'ল..................... ছাত্ৰ-ছাত্ৰীৰ দক্ষতা চোৱা
2. চিনাক্তকৰণ অভীক্ষাই .......................... শিক্ষণ ত্ৰুটিৰ অধ্যয়ন বুজায়।
3. মাননিৰ্ণয় আৰু অনুসন্ধানমুখী অভীক্ষাৰ পাৰ্থক্য লিখক।

## 11.4 শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ পুনৰীক্ষণ আৰু উন্নয়ন

আমি বেছি ভাগেই বুজোঁ যে মান নিৰূপণ মানে হ'ল ছাত্ৰ-ছাত্ৰীসকলৰ মাজত হোৱা শিকনৰ অগ্ৰগতি নিৰ্ণয়। ই আমাৰ শিক্ষকৰ শিক্ষণ আৰু ছাত্ৰ-ছাত্ৰীক বোধৰ মাজত থকা ঘাটি চিনাক্তকৰণত সহায় কৰে। প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকে কৰা ভুল আৰু সেই ভুল বুজাবুজিৰ শুধৰণি কৰাৰ বাবে যাতে এটা তাৎক্ষণিক নিৰ্দেশনা পায় আৰু শিকন সুন্দৰ হয় সেইটোৱে মান নিৰূপণৰ এটা লক্ষ্য।

মান নিৰূপণৰ ফলাফলবোৰ বিশ্লেষণ কৰা দৰকাৰ আৰু শিক্ষণ শিকন প্ৰক্ৰিয়াৰ উন্নতিৰ বাবে শুদ্ধভাৱে পৰিমাপন কৰা উচিত।



টোকা

শুদ্ধ শিক্ষণ-শিকন প্ৰক্ৰিয়া প্ৰায়ে বিকৃতকৰণ (distortion) হয়। এই শিকনত শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ পুনৰ আঁচনি কৰি ছাত্ৰ-ছাত্ৰীৰ উপযুক্ত শিকন আৰু শৈলীৰ বাবে ছাত্ৰ-ছাত্ৰীক প্ৰস্তুত কৰা হয়। এইটো শিকন ত্ৰুটি আঁতৰোৱাৰ এটি প্ৰচেষ্টা হে।

শিক্ষকসকলে অতিৰিক্ত সহায়ৰ প্ৰয়োজন হোৱা ছাত্ৰ/ছাত্ৰীৰ বাবে শিক্ষণ-শিকন পদ্ধতি পুনৰীক্ষণ কৰাৰ প্ৰয়োজন হয়। এই প্ৰয়োজনীয়তাৰ কাৰণ, ছাত্ৰ/ছাত্ৰী ভেদে ভিন ভিন হ'ব পাৰে।

কিছুমান ছাত্ৰ-ছাত্ৰীয়ে এটা বিশেষ বিষয়ৰ ধাৰণা বুজি নাপাব পাৰে আৰু কিছুমান ছাত্ৰ-ছাত্ৰীয়ে বিশেষ এজন শিক্ষকক ভাল নাপাব পাৰে আৰু ফলস্বৰূপে বিশেষ বিষয়টোত কিছুমান ছাত্ৰ-ছাত্ৰীৰ বিশেষ শিকন ত্ৰুটি থাকি যাব পাৰে আৰু অন্য কিছুমান অৰ্হতা আহৰণ আয়ত্বকৰণত দুৰ্বল হ'ব পাৰে। প্ৰতিটো ক্ষেত্ৰতে প্ৰকৃত কাৰণটো উদঘাটন কৰিব লাগে। যিয়ে শিক্ষকক শিক্ষণ শিকন প্ৰক্ৰিয়াৰ উন্নত কৰিবলৈ সামৰ্থ কৰিব পাৰে। ছাত্ৰ-ছাত্ৰীক সহায় কৰিবলৈ শিক্ষকে আনকি প্ৰাসংগিক দক্ষ ব্যক্তি বা অভিভাৱক, এজন মনোবিজ্ঞানী বা এগৰাকী বিশেষ প্ৰশিক্ষকৰ পৰা সহায় লোৱাৰ প্ৰয়োজন হ'ব পাৰে।

সংশোধিত শিক্ষণ-শিকন প্ৰক্ৰিয়া, ছাত্ৰ-ছাত্ৰীৰ বিশেষ দক্ষতা বিশ্লেষণ কৰি আৰম্ভ কৰা উচিত আৰু নিৰ্দেশনাত্মক সামগ্ৰী আৰু প্ৰক্ৰিয়াবোৰ ছাত্ৰ-ছাত্ৰীৰ শিকনৰ সহায় হোৱাকৈ আঁচনি আৰু পুনৰীক্ষণ কৰা উচিত। ছাত্ৰ-ছাত্ৰীক তেওঁলোকৰ দক্ষতাৰ প্ৰতি আৰু সীমিত জ্ঞানৰ প্ৰতি সজাগ কৰি তেওঁলোকৰ দুৰ্বলতাৰ ওপৰত এটা পদ্ধতি অৱলম্বন কৰিলে (ব্যক্তিগত প্ৰয়োজন অনুসৰি) ই শক্তিশালী, ধনাত্মক আৰু যুক্তিপূৰ্ণ চক্ৰ সৃষ্টি কৰাত সহায় কৰিব। যদি কোনো ছাত্ৰৰ শিকিবলৈ ক্ষীণ আশা থাকে, তেন্তে ছাত্ৰৰ আনন্দদায়ক শিকন সৃষ্টি কৰিবলৈ কাৰ্যৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ মনোভাৱৰ উন্নতকৰণৰ বাবে তাৎক্ষণিক পদক্ষেপ লোৱাৰ বাবে চেষ্টা কৰা উচিত।

সংশোধিত শিক্ষণ-শিকনৰ বাবে শিক্ষকৰ উপযুক্ত মনোভাৱ আৰু কৌশল থাকিব লাগিব। গতিকে এটা সংশোধিত পৰীক্ষামূলক চিনাক্তকৰণৰ ওপৰত ভিত্তি কৰি শুদ্ধ প্ৰচেষ্টাৰে আগবাঢ়িব লাগিব। শিক্ষকে এই ক্ষেত্ৰত শুদ্ধ কৌশল আৰু আঁচনি সংশোধন কৰিবলৈ সাজু থাকিব লাগিব যদিহে প্ৰথমে নিৰ্বাচিত পদ্ধতি আৰু সামগ্ৰীবোৰ ফলপ্ৰসু নহয়। বেছি সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে ভালকৈ শিকে যদিহে এগৰাকী শিক্ষকে—

(ক) চমু গোটৰ নিৰ্দেশনা দিয়ে,

(খ) দেখা, শুনা, অনুভৱ কৰা আদি বেছি বাস্তৱ বস্তুৰ সংযোগ কৰে।

(গ) বেছি ব্যাখ্যা কৰে আৰু দৃশ্য শ্ৰাব্য সঁজুলি ব্যৱহাৰ কৰে

(ঘ) জটিল কাম সমাধা কৰিবলৈ বহু সময় লয়,

(ঙ) শিকন অভিজ্ঞতাৰ ব্যক্তিত্বকৰণ (individualised) কৰে।



টোকা

(চ) অভিনয়, কলা আদি কাৰ্যৰ লগত ছাত্ৰ-ছাত্ৰীক আবেগিকভাৱে জড়িত কৰে।

(ছ) বিভিন্ন প্ৰকাৰৰ উদ্দীপক আৰু সামগ্ৰী ব্যৱহাৰ কৰে।

## বিকল্প শিক্ষণ-শিকন কাৰ্যকলাপ

শিক্ষণ ত্ৰুটিৰ কিছু কিছু ক্ষেত্ৰত সংলগ্ন হৈ থকা কাৰকবোৰ আপেক্ষিকভাৱে সহজ। এগৰাকী ছাত্ৰ/ছাত্ৰীয়ে শিক্ষণ শিকন প্ৰক্ৰিয়াত অন্যমনস্ক হ'ব পাৰে বা অভ্যাস কম হোৱা বাবে বা অনিয়মীয়া উপস্থিতি বা অজ্ঞতাত ভুল কৰিব পাৰে।

যদি এগৰাকী ছাত্ৰ/ছাত্ৰীৰ মনোযোগ অনাত অসুবিধা হয় তেন্তে তলত দিয়া বিকল্প কাৰ্যবোৰ চেষ্টা কৰি চাব পাৰি ঃ

- ছাত্ৰ-ছাত্ৰীক জীৱনৰ লগত সম্পৰ্ক থকা সাধুকথা ক'ব পাৰি,
- পূৰ্ব অভিজ্ঞতাৰ লগত সংগতি ৰাখি শিকনৰ এটা উদ্দেশ্য আৰু প্ৰাসংগিকতা ৰক্ষা কৰি শিক্ষণ কৰিব পাৰি।
- এটা অভিজ্ঞতা দেখুৱাই, যেনে-ক্ষেত্ৰ ভ্ৰমণ কৰি পাঠটো শিকাবলৈ আগবাঢ়িব পাৰি।

যদি ছাত্ৰ-ছাত্ৰীয়ে প্ৰথমে আৰম্ভ কৰোতে টান পায়, তেওঁলোকক পুনৰ চেষ্টা কৰিবলৈ দি পিছত তেওঁলোকৰ প্ৰতি লক্ষ্য ৰাখি—

- কাম আৰম্ভ কৰিবলৈ শাৰী পাতিবলৈ দিব পাৰি।
- জটিল শিকন ধাৰণাবোৰ সৰু সৰু গোটত ভাঙিব পাৰি।
- আৰম্ভণিতে সহজ কামৰ সৈতে ক্ৰমানুযায়ী কাম কৰিবলৈ দিব পাৰি।
- প্ৰতিটো কামৰ বাবে সময় অনুযায়ী পৰামৰ্শ দিব পাৰি।
- কামৰ প্ৰথম কেই মিনিটমান সময় প্ৰায় অগ্ৰগতিৰ নিৰীক্ষণ কৰিবলৈ দিব পাৰি।
- স্পষ্ট নিৰ্দেশনা দিব পাৰি
- আৰম্ভ কৰিবলৈ ছাত্ৰ-ছাত্ৰীক সহপাঠীৰ সহযোগিতা ল'বলৈ দিব পাৰি।

যদি ছাত্ৰ-ছাত্ৰীয়ে দলীয় কাম কৰিবলৈ অসুবিধা পায়, তেতিয়া—

- বিভিন্ন দলীয় সদস্যসকলৰ মাজত নিজৰ নিজৰ ভূমিকা স্পষ্ট কৰি দিব।
- দলীয় উৎসাহ দি ছাত্ৰ-ছাত্ৰীক অভিৰোচিত কৰক
- এটা নিৰ্দিষ্ট দায়বদ্ধতা থকা ছাত্ৰ-ছাত্ৰীক নেতৃত্বৰ স্থান দিব।
- যদি স্বাধীনভাৱে কাম কৰিবলৈ অসুবিধা পায়, তেতিয়া দলত কৰিবলৈ দিব।
- এটা উপযুক্ত স্তৰত এটা কাম কৰিবলৈ দিব।

টোকা



- বাঞ্ছিত শিকন ফলাফলৰ ত্ৰুটি স্তৰ কমাব।
- ছুটি গৃহকৰ্মৰে আৰম্ভ কৰিব আৰু ক্ৰমান্বয়ে লাহে লাহে প্ৰয়োজনীয় কামৰ পৰিমাণ বৃদ্ধি কৰিব।
- চাৰ্ট প্ৰস্তুত কৰা, মেপ বা পতাকা প্ৰস্তুত কৰা, ছবি আঁকা ইত্যাদি বিভিন্ন প্ৰকাৰৰ কাৰ্য কৰিবলৈ দিব।

## 11.5 পৰিৱেশ অধ্যয়ন শিকনৰ উন্নতিৰ বাবে শুদ্ধ সংশোধিত কাৰ্য-কলাপ

এগৰাকী শিক্ষক হিচাপে আপোনাৰ প্ৰধান ভূমিকা হ'ল ছাত্ৰ-ছাত্ৰীক গুণগত শিকন প্ৰদান কৰা। এইটো সম্ভৱ হ'ব কেৱল যদিহে আপুনি এগৰাকী নিৰ্দেশক হয় আৰু ছাত্ৰ-ছাত্ৰীয়ে শিক্ষণ-শিকন প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰা 'সুবিধা' দিয়ে। এই শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ সময়ত ছাত্ৰ-ছাত্ৰীয়ে ক'ত ভুল কৰে সেই অংশবোৰ চিনাক্ত কৰিব লাগিব। এইটো শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ জটিল স্তৰ, এই জটিল স্তৰটো আপুনি বিশ্লেষণ কৰিব লাগিব আৰু সংশোধিত শিক্ষণৰ বাবে নিৰ্দেশাত্মক সামগ্ৰী প্ৰস্তুত কৰিব লাগিব (বাঞ্ছিত গুণগত শিকনৰ বাবে)

উদাহৰণস্বৰূপে

যেতিয়া খাদ্যৰ বিষয়ে মান নিৰূপণ কৰা হ'ল, শিক্ষকে দেখিলে যে বেছি সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে শাক আৰু অন্যান্য খাদ্য প্ৰস্তুত কৰা কথা সুধিলে মহিলা সদস্যৰ নাম উল্লেখ কৰে আৰু তেওঁলোকে এই ক্ষেত্ৰত দুমুখীয়া/বৈষম্যমূলক দৃষ্টিভংগী লয়। ইয়াৰ পিছত শিক্ষকগৰাকীয়ে এখন হোটেলত সুন্দৰ খাদ্য ৰান্ধা এগৰাকী পুৰুষ ৰান্ধনিৰ বিষয়ে এটা সাধু কথা বৰ্ণনা কৰিলে। এই ক্ষেত্ৰৰ এই সাধুটোৰে সংশোধিত শিক্ষণৰ উদ্দেশ্য প্ৰতিপন্ন কৰিলে। যেতিয়া শিক্ষকে বুজাৰ ঘাটিখিনি লক্ষ্য কৰিব পাৰে, তেতিয়া সংশোধিত উপায় ল'ব লাগে, নহ'লে ছাত্ৰ-ছাত্ৰীজনে লিংগ বৈষম্যৰ প্ৰতি সংবেদনশীল হ'ব।

সংশোধিত শিক্ষণৰ বাবে বিভিন্ন কাৰ্যকলাপ পৰিচালনা কৰিব পাৰি। এটা উদাহৰণ চাওঁ আহক।

এগৰাকী EVS পৰিৱেশ অধ্যয়নৰ শিক্ষক ছেলিমে *'Looking Around'* নামৰ কিতাপৰ পৰা class V অৰ *'A treat for Mosquito'* নামৰ পাঠটো বুজাবলৈ যাওঁতে গম পালে যে ছাত্ৰ-ছাত্ৰীসকলে 'এনিমিয়া'ৰ ধাৰণা বুজি পোৱা নাই।

চেলিমে শিকন ঘাটি চিনাক্তকৰণৰ পিচত তলত দিয়া কাৰ্যসমূহ সংশোধিত শিক্ষণ হিচাপে এনিমিয়াৰ সংক্ৰান্তত শিকন শক্তিশালী কৰিবলৈ পৰিকল্পনা কৰিছিল।



টোকা

- ➢ তেখেতে এটা সুন্দৰ বক্তৃতা প্ৰস্তুত কৰিছিল আৰু আমাৰ তেজত আইৰণৰ গুৰুত্ব সম্পৰ্কে ব্যাখ্যা কৰিবলৈ এগৰাকী ডাক্তৰ নিমন্ত্ৰণ কৰি আনিছিল। তেখেতে ছাত্ৰ-ছাত্ৰীক আইৰণ যুক্ত ফলৰ কথা আৰু আইৰণযুক্ত শাক-পাচলিৰ বিষয়েও কৈছিল। তেখেতে ছাত্ৰ-ছাত্ৰীক 'এটা তেজত থকা হিমগ্ল'বিনৰ তথ্য দেখুৱাইছিল আৰু আমাৰ তেজত থকা হিম'গ্লবিনৰ পৰিমাণ কিদৰে গণনা কৰা হয়, সেই বিষয়েও ব্যাখ্যা কৰিছিল।
- ➢ এই বিষয়টোত ছাত্ৰ-ছাত্ৰীৰ অধিক জ্ঞান আহৰণৰ বাবে চেলিমে 'ম'হ'ৰ ওপৰত এখন চিনেমা প্ৰদৰ্শন কৰিবলৈ পৰিকল্পনা কৰিছিল।

এই পৰিকল্পনা অনুসৰি চেলিমে ছাত্ৰ-ছাত্ৰীয়ে পুনৰ প্ৰদৰ্শন কৰিবলৈ অধিক সুবিধা পাব পৰাকৈ  আৰু ধাৰণাটোৰ পুনৰ অভ্যাসকৰণৰ বাবে পুনৰ পৰিকল্পনা কৰিছিল আৰু শিক্ষণ-শিকন সামগ্ৰী প্ৰস্তুত কৰিছিল। বিষয়টোৰ ওপৰত একেখিনি কথা বুজি নোপোৱালৈকে চেলিমে অধিক অভ্যাস ছাত্ৰ-ছাত্ৰীক কৰিবলৈ দিছিল।

এতিয়া আমি সংশোধিত শিক্ষণ-শিকন প্ৰক্ৰিয়াটো মনত ৰাখো আহক—

- ই এটা পূৰ্ণ আৰু শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ দৰকাৰী অংশ বিশেষ অনুসন্ধানকাৰীৰ মান নিৰূপণে শিকনৰ বিশেষ ঘাটি বুজাত সহায় কৰে।
- এগৰাকী শিশুৰ সমস্যা সমাধানৰ বাবে প্ৰয়োজন সাপেক্ষে দৰ্জীৰ দৰে হোৱাৰ প্ৰয়োজন।
- তাৎক্ষণিক মান নিৰূপণ (assessment) কৰাৰ প্ৰয়োজন।
- আগতে লোৱা/ব্যৱহাৰ কৰা শিক্ষণ-শিকন পদ্ধতিতকৈ বেলেগ পদ্ধতি লোৱাটোৱে ইয়াৰ লক্ষ্য হোৱা উচিত।
- ই ছাত্ৰ-ছাত্ৰীৰ সহায়কাৰী হ'ব লাগিবই আৰু ই শিকনৰ ওপৰত গুৰুত্ব দিবই লাগিব।
- সম্ভৱ হ'লে ছাত্ৰ/ছাত্ৰীগৰাকীয়ে শ্ৰেণীৰ বাকী বিষয়ৰ সৈতেও শিকন আয়ত্ব কৰিবলৈ সামৰ্থ হ'ব। সেইকাৰণে যি ছাত্ৰ/ছাত্ৰী সংশোধিত শিক্ষণ-শিকন অভিজ্ঞতাৰে পুষ্ট হয় তেওঁ শ্ৰেণীৰ বাকী অংশবোৰৰ লগত পৃথক নহয়।
- মান নিৰূপণৰ ফলত পোৱা ফলাফলবোৰ অভিভাৱকক জনাব লাগে আৰু যদি প্ৰয়োজন হয়, সংশোধিত শিক্ষণ-শিকন প্ৰক্ৰিয়াৰে তেওঁক প্ৰতিকাৰ কৰা হয়।

## 11.6 সামৰণি

এই গোটটোত আমি শিকিলোঁ যে শিক্ষক এগৰাকীৰ, ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক, সামাজিক আৰু ব্যক্তিগত বিকাশৰ বিষয়ে নিয়মিতৰূপে শুদ্ধকৈ কি বুজিছে সেই বিষয়ে



টোকা



জনোৱাৰ দায়িত্ব শিক্ষক এগৰাকীৰ আছে। মান নিৰূপণ কৰাৰ পিছত ছাত্ৰ-ছাত্ৰীৰ অগ্ৰগতিৰ বিষয়ে জনাই যোগাযোগ কৰাটোৱে হ'ল তথ্য দাখিলকৰণ প্ৰক্ৰিয়া। আমি শিকনৰ তথ্য দাখিল কৰাৰ বিষয়ে আৰু, ইয়াৰ উপকাৰিতা আৰু মনত ৰাখিবলগীয়া দৰকাৰী বিষয়বোৰ শিকিলোঁ। (ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকক জনোৱাৰ ক্ষেত্ৰত)।

অনুসন্ধানকাৰী অভীক্ষা হ'ল গুণগত শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ এটা প্ৰধান অংশ। এই অভীক্ষাই শিকন ত্ৰুটিৰ বিস্তৃত অধ্যয়নত গুৰুত্ব দিয়ে। এগৰাকী শিক্ষক হিচাপে, আপুনি শিকন ত্ৰুটি জনাৰ পিছত শিকনৰ সমস্যা আৰু শিকন সমস্যাত সন্মুখীন হোৱা কাৰণসমূহ জানিলৈ এই শিকন সমস্যাবোৰ আঁতৰ কৰাৰ বাবে বিভিন্ন পদ্ধতি অৱলম্বন কৰা উচিত। এই প্ৰক্ৰিয়াটোৱেই হ'ল সংশোধিত শিক্ষণ-শিকন প্ৰক্ৰিয়া।

অনুসন্ধানকাৰী অভীক্ষাই সংশোধিত শিক্ষণক পৰিচালিত কৰে, যাৰ দ্বাৰা দ্ৰুত লিখনৰ বাবে বিকল্প কাৰ্যকলাপৰ পৰিকল্পনা কৰা হয়। আমি অৱশেষত, পৰিৱেশ অধ্যয়ন শিকন অধিক ফলপ্ৰসু কৰিবলৈ কিদৰে সংশোধিত শিক্ষণ-শিকনৰ কাৰ্যকলাপ কৰা হয় তাৰ এটা উদাহৰণহে দাঙি ধৰিলোঁ।

## 11.7 অগ্ৰগতি নিৰীক্ষণৰ আৰ্হি উত্তৰসমূহ ঃ

**অগ্ৰগতিৰ নিৰীক্ষণ -1**

উত্তৰ - 1. (ক) ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু শিক্ষকক প্ৰতিপুষ্টি দিয়ক।

(খ) অধিক উন্নতিৰ বাবে দুৰ্বল আৰু সবল ক্ষেত্ৰবোৰ উল্লেখ কৰক।

উত্তৰ - 2. পাৰদৰ্শিতা দেখুওৱা তিনিটা ক্ষেত্ৰ উল্লেখ কৰক।

উত্তৰ - 3. এটা সুবিধাজনক ফাইলত ছাত্ৰ-ছাত্ৰীৰ গোটেই বছৰটোত কৰা কামবোৰ সংগ্ৰহ কৰি ৰখা হয় আৰু নহ'লে প্ৰাথমিক শ্ৰেণীৰ নথি থোৱা বাকচতে থোৱা হয়।

**অগ্ৰগতিৰ নিৰীক্ষণ -2**

উত্তৰ - 1. ৰেকৰ্ড আৰু তথ্য

উত্তৰ - 2. ব্যক্তিগত দক্ষতা

উত্তৰ - 3. **মান নিৰূপণ,** (assessment) শিকাৰুৰ জ্ঞান, মনোভাৱ কৌশল আৰু বিশ্বাস জানিবলৈ বিচাৰ আৰু শ্ৰেণীবিভাগ কৰা।

**অনুসন্ধানকাৰী অভীক্ষা** ঃ এই অভীক্ষাই ব্যক্তিগত শিকন ত্ৰুটিৰ বিশদভাৱে অধ্যয়ন কৰাত সহায় কৰে আৰু প্ৰতিজন ছাত্ৰই ইজনে সিজনৰ পৰা যে পৃথক সেই কথা প্ৰতিপন্ন কৰে।



টোকা

## 11.8 পঠনৰ বাবে পৰামৰ্শাৱলী আৰু প্ৰসংগপুথি ঃ


- Source Book Assessment for class I-IV (Environmental Studies, 2008) NCERT, New Delhi
- NCF 2005, National Council for Educational Research & Training, New Delhi
- EVS textbooks class III to V, NCERT
- www.**ncert**.nic.in/html/pdf/schoolcurriculum/ncfsc/ch4.pdf
- http://en.wikipedia.org/wiki/Educational_assessment
- http://unesdoc.unesco.org/images/0012/001262/126231e.pdf


## 11.9 গোটৰ শেষ অনুশীলনী ঃ

1. সংশোধিত শিক্ষণৰ অৰ্থ ব্যাখ্যা কৰক। এটা পৰিৱেশ অধ্যয়নৰ লগত জড়িত বিষয়ৰ প্ৰসংগত এগৰাকী ছাত্ৰ/ছাত্ৰীৰ সংশোধিত শিক্ষণ কিদৰে কৰা হয় উদাহৰণসহ ব্যাখ্যা কৰক।

2. ওচৰ-চুবুৰীয়া আৰু ঘৰচীয়া জন্তুবোৰক আমাৰ পৰিয়ালৰ সদস্য বুলি কোৱা হয় সেই কথাৰ পঞ্চম শ্ৰেণীৰ ছাত্ৰ এগৰাকীয়ে বুজি পোৱা নাই?' এই কথা শিক্ষক এগৰাকীয়ে লক্ষ্য কৰিছিল।

   ছাত্ৰীগৰাকীৰ অভিভাৱকৰো এই সম্পৰ্কে জ্ঞান সীমিত। শিক্ষকগৰাকীয়ে জানিলে যে ছাত্ৰ/ছাত্ৰীগৰাকী একক পৰিয়ালৰ সদস্য আৰু তেওঁ দলীয় কাৰ্য-কলাপ কৰোতে অইনৰ লগত সহযোগ নকৰে। এই ক্ষেত্ৰত আপুনি কি ধৰণৰ সংশোধিত শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ বাবে পৰামৰ্শ দিব?

****